# OFFICE OF THE PRINCIPAL:: NORTH LAKHIMPUR COLLEGE (AUTONOMOUS)

Memo No.: NLC/PG/2021/3037 Date: 09.10.2021

## জাননী

### মহাবিদ্যালয় চৌহদৰ বাবে ক'ভিড নির্দেশনা

চৰকাৰী নির্দেশ আনুসৰি নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ আৰু এম.ফিল. পাঠ্যক্রমৰ পাঠদান যোৱা ০১/১০/২০২১ তাৰিখৰপৰা আৰম্ভ কৰা হৈছে। মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তলত দিয়াৰ দৰে ক'ভিড বিধি নির্ধাৰণ কৰা হৈছে। এই বিধি পালন কৰাটো বাঞ্ছনীয়। ক'ভিড-বিধি পালন নকৰাসকলৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১. ১৮ বছৰৰ উৰ্দ্ধৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে কমেও এটা ক'ভিড প্ৰতিষেধক ছিটা ল'ব লাগিব।

২. চৌহদৰ ভিতৰত মুখাবৰণ (মাস্ক) পৰিধান কৰাটো বাধ্যতামূলক।

৩. সকলোৱে যথাযোগ্যভাৱে ছেনিটাইজাৰ ব্যৱহাৰ কৰিব আৰু সামাজিক দূৰত্ব বজাই ৰাখিব।

৪. জ্বৰ-কাঁহ বা তেনেধৰণৰ অসুখত ভুগি থকাসকলে ততালিকে ক'ভিড পৰীক্ষা কৰোৱাব।

৫. এই সম্পৰ্কে চৰকাৰে জাৰি কৰা নির্দেশনা অনুসৰি সময়ে সময়ে মহাবিদ্যালয় চৌহদৰ ক'ভিড বিধি সলনি হৈ থাকিব।

### মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ বাবে ক'ভিড নির্দেশনা

চৰকাৰী নির্দেশ আনুসৰি নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক, স্নাতক, স্নাতকোত্তৰ আৰু এম.ফিল. পাঠ্যক্রমৰ পাঠদান যোৱা ০১/১০/২০২১ তাৰিখৰপৰা আৰম্ভ কৰা হৈছে। মহাবিদ্যালয়ৰ হোষ্টেলসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তলত দিয়াৰ দৰে ক'ভিড বিধি নির্ধাৰণ কৰা হৈছে। এই বিধি পালন কৰাটো বাঞ্ছনীয়। ক'ভিড-বিধি পালন নকৰাসকলৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১. কেৱল দুয়োপালি প্ৰতিষেধক লোৱা আৱাসীকহে মহাবিদ্যালয় ছাত্ৰাবাস / ছাত্ৰী নিবাসত থকাৰ অনুমতি দিয়া হৈছে।

২. চৰকাৰী নিৰ্দেশনা অনুসৰি কেৱল চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে হোষ্টেলত থাকিব পাৰিব।

৩. চৌহদৰ ভিতৰত মুখাবৰণ (মাস্ক) পৰিধান কৰাটো বাধ্যতামূলক।

৪. সকলোৱে যথাযোগ্যভাৱে ছেনিটাইজাৰ ব্যৱহাৰ কৰিব আৰু সামাজিক দূৰত্ব বজাই ৰাখিব।

৫. জ্বৰ-কাঁহ বা তেনেধৰণৰ অসুখত ভুগি থকাসকলে ততালিকে ক'ভিড পৰীক্ষা কৰোৱাব।

৬. এই সম্পৰ্কে চৰকাৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি সময়ে সময়ে ছাত্ৰাৱাস / ছাত্ৰী নিৱাসৰ ক'ভিড বিধি সলনি হৈ থাকিব।

(ড° বিমান চন্দ্ৰ চেতিয়া)
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ (স্বয়ত্তশাসিত)
Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)

প্ৰতিলিপি-

১. উপাধ্যক্ষ (জ্যেষ্ঠ আৰু কনিষ্ঠ শাখা), নৰ্থ লখিমপুৰ কলেজ
২. সকলো বিভাগৰ মুৰব্বী (ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰচাৰৰ বাবে)
৩. তত্ত্বাৱধায়ক, হোষ্টেল পৰিচালনা সমিতি
৪. হোষ্টেলসমূহৰ অধীক্ষকসকল
৫. হোষ্টেলসমূহৰ তত্ত্বাৱধায়কসকল
৬. কলেজ ৱেবচাইট আৰু নটিচ বৰ্ড

(ড° বিমান চন্দ্ৰ চেতিয়া)
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ (স্বয়ত্তশাসিত)
Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)

## OFFICE OF THE PRINCIPAL:: NORTH LAKHIMPUR COLLEGE (AUTONOMOUS)

Memo No.: NLC/PG/2021/3037 Date: 09.10.2021

# জাননী

## মহাবিদ্যালয় চৌহদত মোবাইল ফোন ব্যৱহাৰৰ নিৰ্দেশনা

যোৱা ০৮/১০/২০২১ তাৰিখে অনুষ্ঠিত নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ Disciplinary Action Committeeৰ বৈঠকত মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰীসকলে মোবাইল ফোন ব্যৱহাৰৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা প্ৰস্তুত কৰা হয়। তলত সেই নিৰ্দেশনাসমূহ দিয়া হ'ল। সকলো ছাত্ৰ-ছাত্ৰীয়ে এই নিৰ্দেশনা পালন কৰাটো বাঞ্ছনীয়। অন্যথা যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১. শ্ৰেণীকোঠাত মোবাইল ফোন অফ কৰি ৰাখিব লাগিব আৰু শ্ৰেণীকোঠাৰ বাৰাণ্ডাত মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰিব।

২. শ্ৰেণীকোঠাৰ ভিতৰত শিক্ষকৰ যাৱতীয় অনুমতি অবিহনে কোনো ধৰণৰ ভিডিঅ' বা অ'ডিঅ' ৰেকৰ্ডিং কৰিব নোৱাৰিব।

৩. মহাবিদ্যালয় চৌহদৰ কেৱল নিৰ্ধাৰিত ঠাইত আৰু কেৱল শৈক্ষিক কামতহে মোবাইল ফোন ব্যৱহাৰ কৰিব পাৰিব। ঠাইসমূহ- (ক) কেন্টিনৰ সমুখ, (খ) ছাত্ৰ জিৰণি কোঠা আৰু (গ) ছাত্ৰী জিৰণি কোঠা।

## মহাবিদ্যালয়লৈ লঘূ যান বাহন অনাৰ ক্ষেত্ৰত নিৰ্দেশনা

১. ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়লৈ কেৱল দুচকীয়া বাহনহে আনিব পাৰিব। চাৰিচকীয়া বাহন আনিব নোৱাৰিব।

২. যান্ত্রিক দুচকীয়া বাহনৰ ক্ষেত্রত প্রয়োজনীয় পঞ্জীয়ন, বীমা আৰু চালকৰ 'ড্ৰাইভিং লাইচেন্স' থকাটো বাধ্যতামূলক।

৩. যান্ত্রিক দুচকীয়া বাহন অনাসকলে হেলমেট পৰিধান কৰাটো বাধ্যতামূলক।

৪. সকলো বাহন মহাবিদ্যালয় চৌহদৰ নির্ধাৰিত ঠাইত শৃংখলাৱদ্ধকৈ ৰাখিব লাগিব।

সকলো ছাত্র-ছাত্রীয়ে এই নির্দেশনা পালন কৰাটো বাঞ্ছনীয়। অন্যথা যথাবিহিত ব্যৱস্থা গ্রহণ কৰা হ'ব।

(ড° বিমান চন্দ্ৰ চেতিয়া)
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ (স্বয়ত্তশাসিত)

Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)

প্রতিলিপি-

১. উপাধ্যক্ষ (জ্যেষ্ঠ আৰু কনিষ্ঠ শাখা), নৰ্থ লখিমপুৰ কলেজ
২. সকলো বিভাগৰ মুৰব্বী (ছাত্র-ছাত্রীসকলৰ মাজত প্রচাৰৰ বাবে)
৩. তত্ত্বাৱধায়ক, হোষ্টেল পৰিচালনা সমিতি
৪. হোষ্টেলসমূহৰ অধীক্ষকসকল
৫. হোষ্টেলসমূহৰ তত্ত্বাৱধায়কসকল
৬. কলেজ ৱেবচাইট আৰু নটিচ বর্ড

(ড° বিমান চন্দ্ৰ চেতিয়া)
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ (স্বয়ত্তশাসিত)

Principal
North Lakhimpur College
(Autonomous)
North Lakhimpur (Assam)